**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-11-2024 **Time :** 1205 Hrs

***Assamese Midday (1205 Hrs.) Bulletin***

ৰাজ্যৰ বঙাইগাঁও, চামগুৰি, বিহালী, চিদলী আৰু ধলাই বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ বৰ্তমান চলি আছে। আজি পুৱা সাত বজাত ফৰকাল বতৰত আৰম্ভ হোৱা ভোটগ্ৰহণ প্ৰথমে সেৰেঙা আছিল যদিও সময় আগবঢ়াৰ লগে লগে বিভিন্ন ভোটগ্ৰহণ কেন্দ্ৰত ভোটদাতাৰ দীঘলীয়া শাৰী দেখিবলৈ পোৱা গৈছে। দিনৰ চাৰে ১১ বজালৈকে পাঁচটা সমষ্টিত ৩০ দশমিক তিনি - ১ শতাংশ ভোটদান হৈছে বুলি গুৱাহাটীত নিৰ্বাচন আয়োগৰ সূত্ৰই জনাইছে। দিনৰ ১১ বজালৈকে বঙাইগাঁও সমষ্টিত ৩২ দশমিক ৯ – ০ শতাংশ, চামগুৰি সমষ্টিত ৩১ দশমিক ছয় - ১ শতাংশ, বিহালীত ৩০ দশমিক ৪ শতাংশ, চিদলীত ৩২ দশমিক দুই – ০ শতাংশ আৰু ধলাই বিধানসভা সমষ্টিত ২৪ দশমিক ছয় - ৫ শতাংশ ভোটগ্ৰহণ সম্পন্ন হৈছে বুলি আমাৰ সংবাদদাতাসকলে জনাইছে। চামগুৰি সমষ্টিৰ পশ্চিম লৰিৰমুখৰ কৰৈগুৰি মজলীয়া বিদ্যালয় ভোটগ্ৰহণ কেন্দ্ৰত ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইন, সমষ্টিটোৰ কংগ্ৰেছ প্ৰাৰ্থী তাঞ্জিল হুছেইন আৰু তেওঁৰ মাতৃয়ে ভোটদান কৰে। ধলাই সমষ্টিৰ এটা ভোটগ্ৰহণ কেন্দ্ৰত আজি সাংসদ পৰিমল শুক্লবৈদ্যই ভোটদান কৰে। ভোটগ্ৰহণ বিয়লি ৫ বজালৈকে চলিব। এতিয়ালৈকে কোনো ঠাইৰ পৰা কোনো অপ্ৰীতিকৰ ঘটনা ঘটাৰ বাতৰি আমালৈ অহা নাই। আজি এই পাঁচটা সমষ্টিৰ মুঠ এহেজাৰ ৭৮টা ভোটগ্ৰহণ কেন্দ্ৰত বৰ্তমান ভোটগ্ৰহণ চলি আছে। ইয়াৰ ভিতৰত চিদলীৰ ২৭৩টা, চামগুৰিৰ ১৯৭টা, বিহালীৰ ১৫৪টা আৰু ধলাইৰ ২০৮টা কেন্দ্ৰ আছে। আমাৰ আগৰ বাতৰিতেই কোৱা হৈছে যে সমষ্টিকেইটাৰ উপ-নিৰ্বাচনত মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। আজিৰ ভোটগ্ৰহণৰ জৰিয়তে ধলাই সমষ্টিৰ ৮ গৰাকী, চামগুৰিৰ ১১ গৰাকী, চিদলীৰ ৩ গৰাকী, বিহালীৰ ৪ গৰাকী আৰু বঙাইগাঁও সমষ্টিৰ ৮ গৰাকী প্ৰাৰ্থীৰ নিৰ্বাচনী ভাগ্য প্ৰায় ৯ লাখ ১২ হাজাৰ ভোটদাতাই নিৰূপণ কৰিব। এইসকলৰ মাজত ৪ লাখ ৫৫ হাজাৰ ১২৪ গৰাকী পুৰুষ আৰু ৪ লাখ ৫৬ হাজাৰ ৮৮২ গৰাকী মহিলা ভোটদাতাৰ লগতে ১৯ গৰাকী তৃতীয় লিংগৰ ভোটদাতাও আছে।

০০০০০০০০

ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত পৰিৱেশ সংৰক্ষণমূলক অসমীয়া বোলছবি **অৰণ্য** প্ৰদৰ্শনৰ ৫৩ বছৰ পূৰ্ণ হোৱা উপলক্ষে কালি দৰং জিলাৰ অগ্ৰণী সামাজিক-সাংস্কৃতিক অনুষ্ঠান জিপচী গিল্ডৰ উদ্যোগত **অৰণ্য বোলছবি কিয় অসমীয়া ধ্ৰুপদী ছবিৰ শাৰীলৈ উন্নীত কৰিব পাৰি** শীৰ্ষক বিষয়ত ৰাজ্যিক ভিত্তিত আয়োজন কৰা প্ৰবন্ধ প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগীসকলক পুৰস্কৃত কৰা হয়। গিল্ডৰ মঞ্চত আয়োজন কৰা অৰণ্যৰ দিন শীৰ্ষক এটা অনুষ্ঠানত মঙলদৈৰ পুলিন ডেকাক প্ৰথম পুৰস্কাৰ আৰু গুৱাহাটী ৰবেন্দ্ৰ কুমাৰ দাসক দ্বিতীয় পুৰস্কাৰ প্ৰদান কৰা হয়। ইয়াৰ উপৰি মঙলদৈৰ আব্দুল মালিকলৈ বিচাৰকৰ বিশেষ পুৰস্কাৰ আগবঢ়োৱা হয়। উল্লেখযোগ্য যে মঙলদৈ ইউনাইটেড ক্লাব নামৰ স্বেচ্ছাসেৱী সংগঠনটোৰ বেনাৰত ৰাইজৰ দান বৰঙণিৰে নিৰ্মিত এই অৰণ্য ছবিখনে ১৯৭১ চনৰ আঞ্চলিক ভাষাৰ শ্ৰেষ্ঠ অসমীয়া ছবিৰ ৰজত কমল বঁটা লাভ কৰিছিল।

০০০০০০০০

অসম সাহিত্য সভাৰ ২০২৫-২০২৭ দুবছৰীয়া কাৰ্যকালৰ বাবে পাঁচ গৰাকী বিশিষ্ট সাহিত্যিকৰ নাম সভাপতি পদৰ নিৰ্বাচনৰ বাবে ঘোষণা কৰাৰ কেইঘণ্টামানৰ ভিতৰতে বিশিষ্ট সাহিত্যিক, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড° ভীমকান্ত বৰুৱাই এই নিৰ্বাচনৰ দৌৰত তেওঁ নাই বুলি স্পষ্ট কৰি দিছে। আকাশবাণী গুৱাহাটীৰ বিশেষ সংবাদদাতাৰ সৈতে হোৱা কথা-বতৰাত ড° বৰুৱাই কয়, যে অসম সাহিত্য সভাৰ কেইবাগৰাকীও প্ৰাক্তন আৰু বৰ্তমানৰ বিষয়ববীয়াই সভাৰ সভাপতিৰ পদৰ বাবে তেওঁ প্ৰতিদ্বন্দ্বিতাত নামিব লাগে বুলি প্ৰস্তাৱ দিছিল যদিও তেওঁ এই প্ৰস্তাৱ গ্ৰহণ কৰা নাছিল। তৎসত্বেও তেওঁৰ নাম উচ্চ ক্ষমতাসম্পন্ন সমিতিয়ে কালি ঘোষণা কৰা কাৰ্যত অধ্যাপক গৰাকীয়ে আশ্চৰ্য্য প্ৰকাশ কৰে।

০০০০০

নলবাৰীৰ হৰিমন্দিৰ প্ৰাংগণত পৰহিলৈৰ পৰা আৰম্ভ হ'বলগীয়া ৰাস মহোৎসৱ ২৭ নৱেম্বৰলৈ অনুষ্ঠিত হ'ব। সেই উপলক্ষে সমগ্ৰ নলবাৰী চহৰখন বিভিন্ন আলোকসজ্জাৰে সজাই-পৰাই তোলা হৈছে। এইবাৰ এই ৰাস মহোৎসৱত মৃণ্ময় মূৰ্তিৰ লগতে জীৱন্ত ৰাস আৰু পুতলা নাচৰ ৰাসো অনুষ্ঠিত হ'ব।

আনহাতে, শিৱসাগৰ নগৰৰ সমীপৰ ঢুলীয়া পাৰত পৰহিলৈ পৰা দুদিনীয়া কাৰ্যসূচীৰে আঞ্চলিক ভিত্তিত ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। মহোৎসৱ উদযাপনৰ বাবে সমিতিয়ে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। এই উপলক্ষে স্থানীয় ৰংগমঞ্চত ৰাসৰ অন্তিম আখৰাত স্থানীয় শিল্পী, কলা-কুশলীসকল ব্যস্ত হৈ পৰা পৰিলক্ষিত হৈছে। ইয়াৰ উপৰি নগৰখনৰ সমীপৰ বেতবাৰী, জয়সাগৰ, কালুগাঁও, জাঁজী, ফুলপানী ছিগা, শলগুৰি, আখৈফুটীয়া আদি আঞ্চলতো ব্যাপক উৎসাহ-উদ্দীপনাৰ মাজেৰে ৰাইজে ৰাস উৎসৱৰ প্ৰস্তুতি চলাইছে।  ইফালে মাজুলীত দুদিনীয়া কাৰ্যসূচীৰে কালি সন্ধিয়া উপস্থিত হোৱা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে মাজুলীৰ ৰাসৰ আখৰা পৰিদৰ্শন কৰে।

০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি ছেঞ্চুৰীয়ানত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত আৰম্ভ হ'ব। বৰ্তমানলৈকে ভাৰত আৰু দক্ষিণ আফ্ৰিকা উভয়ে একোখনকৈ খেলত জয়লাভ কৰিছে। ভাৰতে প্ৰথমখন খেলত ৬১ ৰানত জয়লাভ কৰাৰ বিপৰীতে দক্ষিণ আফ্ৰিকাই দ্বিতীয়খন খেলত ৩ উইকেটত বিজয় সাব্যস্ত কৰিছে।

০০০০

সমাপ্ত